# ৰাইজৰ বাতৰি

অষ্টম বছৰ প্ৰথম সংখ্যা ১৬-৩১ মাৰ্চ ২০১৭

পষেকীয়া বাৰ্তালোচনী

দ্বাৰকা পথ, গৃহ নং ঃ ১

দ্বিতীয় মহলা, হাতীগাঁও পথ

গুৱাহাটী ঃ ৭৮১০৩৮


## এই সংখ্যাত


অসমীয়াই বীৰদৰ্পে আত্মপ্ৰতিষ্ঠা কৰক ৯

বিকশিত অসম গঢ়াৰ দিশেৰে ১১

সকলোকে সামৰি ৰাজ্য চৰকাৰৰ উন্নয়নমুখী বাজেট ১৩

অসম বাজেট ২০১৭-১৮ ১৭

অসম বিজ্ঞান মহোৎসৱত ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান ১৯

দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰৰ জেহাদ ২১

কিংকঙৰ পেট, আইনষ্টাইনৰ মগজু আৰু অসমৰ ছাত্ৰ-ছাত্ৰী ২২

স্থাপন হ'ব উদ্যোগ, মুকলি হ'ব কৰ্মসংস্থাপন ২৫

মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা ঃ এক অৱলোকন ২৬

ডঃ নগেন শইকীয়াৰ সাক্ষাৎকাৰ ২৯

ধুবুৰী, নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা ৩৩

ৰাজ্যত পথ যোগাযোগ উন্নত কৰাত গুৰুত্ব ৰাজ্য চৰকাৰৰ ৩৪

বেদখল উচ্ছেদ অভিযান চৰকাৰৰ এক বলিষ্ঠ পদক্ষেপ ৩৫

শুদ্ধ এন আৰ চিৰ বাবে চৰকাৰ দায়বদ্ধ ঃ মুখ্য মন্ত্ৰী ৪০

স্বাস্থ্য খণ্ডত নৱ সংযোজন অটল অমৃত যোজনা ৪১

মুকলি হ'ল শৰাইঘাটৰ নতুন দলং ৪২

ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে'ৰ জৰীপৰ শুভাৰম্ভ ৪৫

দুখীয়া ৰোগী, শিক্ষাৰ্থীৰ সাহায্যৰ বাবে 'সুহৃদ' ৪৬

মহানুভৱতাৰ পৃথিৱীত 'তপোবন'ৰ এখোজ ৪৭

প্ৰধান মন্ত্ৰীৰ কৌশল বিকাশ যোজনা ৫০

কাব্য-কানন ৫১

ক্ৰীড়া ৰাজধানী এক সুন্দৰ কল্পনা ৫২

ৰাজ্যখনত আৰম্ভ প্ৰধান মন্ত্ৰী আবাস যোজনা (গ্ৰামীণ) ৫৬

অকণিৰ চ'ৰা ৫৮

কন্যা সন্তানৰ উজ্জ্বল ভৱিষ্যতৰ আধাৰ 'সুকন্যা সমৃদ্ধি যোজনা' ৬০

কন্যকাৰ পৰাই নীল বিপ্লৱ আঁচনিৰ অবিৰত যাত্ৰা ৬১

চাহ বাগিচাত ডিজিটেল লেনদেনৰ নতুন অধ্যায় ৬৩

৩১ মাৰ্চৰ পৰা আৰম্ভ হ'ব নমামি ব্ৰহ্মপুত্ৰ উৎসৱ ৬৪

সফলতাৰ দিশত এখোজ ৬৫

ষ্টাফ ছিলেকচন কমিচনৰ পৰীক্ষাৰ প্ৰস্তুতি ৬৮



অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগ, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ হৈ সঞ্চালকৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্ৰিত।

উপদেষ্টা ঃ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী সম্পাদক ঃ ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য

Printed and published by Director, Information & Public Relations, Govt. of Assam, Dispur, Guwahati 781006 and printed at Assam Govt. press Guwahati-781021.

**Adviser : Dhirendra Nath Chakravartty** **Editor : Bhupendra Nath Bhattacharyya**



Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

সম্পাদকীয়

# নতুন ৰূপত 'ৰাইজৰ বাতৰি'

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহত ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ বিতৰ্কৰ উত্তৰ দিয়াৰ সময়ত বিমুদ্ৰাকৰণ আৰু নগদবিহীন লেনদেনৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰিছিল। প্ৰধান মন্ত্ৰীগৰাকীয়ে নগদবিহীন লেনদেনৰ পদক্ষেপ প্ৰসংগত অসমত চাহ বাগিচাৰ প্ৰায় ৭ লাখ কৰ্মীৰ বেংক একাউণ্ট খুলি তাৰ জৰিয়তে মজুৰি আদায়ৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কথাটো উল্লেখ কৰে। প্ৰধান মন্ত্ৰী মোদীয়ে অসম চৰকাৰক প্ৰশংসা কৰি ভাষণ প্ৰসংগত কৈছিল যে নগদবিহীন লেনদেনৰ ক্ষেত্ৰত ই এক বৃহৎ পদক্ষেপ। সঁচাকৈয়ে অসমত চাহ বাগিচাৰ কৰ্মীৰ বেংক একাউণ্টৰ জৰিয়তে মজুৰি আদায়ৰ বিষয়টো এক উল্লেখযোগ্য আৰু নগদবিহীন লেনদেনৰ দিশত সবল পদক্ষেপ। যদিহে চাহ বাগিচাৰ কৰ্মীসকলে এই ব্যৱস্থাটো গ্ৰহণ কৰিবলৈ মান্তি নহ'লহেঁতেন তেতিয়াহ'লে চৰকাৰৰ পক্ষে অকলেই ইয়াক কাৰ্যকৰী কৰাটো মুঠেও সম্ভৱ নহ'লহেঁতেন। দশক দশক জুৰি নগদ ধনৰ জৰিয়তে মজুৰিৰ লেনদেন কৰি অহা চাহ বাগিচাৰ কৰ্মীসকলে বেংক একাউণ্টৰ জৰিয়তে এতিয়া মজুৰি লাভ কৰাত এইক্ষেত্ৰত স্বচ্ছতাও আহি পৰিছে। কিয়নো ইয়াৰ আগেয়ে নগদ ধনেৰে মজুৰি আদায়ৰ সময়ত বিভিন্ন খেলিমেলিৰ অভিযোগ উঠিছিল। ৭ লাখ চাহ বাগিচা কৰ্মীৰ বেংক একাউণ্ট খোলাটো বৰ সহজ কথা নহয়। ই যে চাহ কৰ্মীসকলৰ পূৰ্ণ সহযোগ অথবা প্ৰক্ৰিয়াটোত অংশগ্ৰহণৰ বাবেই সম্ভৱ হৈ উঠিছে সেয়া নক'লেও সহজেই বুজিব পাৰি। চৰকাৰৰ লগতে ৰাইজেও যদি জনকল্যাণমূলক আঁচনি বা কাৰ্যসূচীসমূহ ৰূপায়ণৰ ক্ষেত্ৰত পূৰ্ণ সহযোগ বা অংশগ্ৰহণ কৰে তেতিয়াহ'লে ইয়াৰ সফল ৰূপায়ণ সম্ভৱ হ'বই। কিন্তু ইয়াৰ বাবে চৰকাৰৰ আঁচনি, নীতি আৰু কাৰ্যসূচীসমূহৰ বিষয়ে জনসাধাৰণ ভালদৰে অৱগত হ'ব লাগিব। যদি আঁচনিসমূহৰ বিষয়ে জনসাধাৰণ অৱগত নহয়, তেতিয়াহ'লে ইয়াৰ ৰূপায়ণো সম্ভৱ নহ'ব। এক নতুন ৰূপত 'ৰাইজৰ বাতৰি' পুনৰ প্ৰকাশ কৰিবলৈ লোৱা হৈছে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ নীতি, আঁচনি আৰু কাৰ্যসূচীসমূহৰ লগতে ইয়াৰ ৰূপায়ণ প্ৰক্ৰিয়া সম্পৰ্কতো 'ৰাইজৰ বাতৰি'ত সবিশেষ প্ৰকাশৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ উপৰি দক্ষতা বিকাশ সম্পৰ্কীয় বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচী, নিয়োগ সম্পৰ্কীয় তথ্য আৰু কেৰিয়াৰৰ বিষয়েও 'ৰাইজৰ বাতৰি'ত কেইবাটাও শিতান থাকিব। 'ৰাইজৰ বাতৰি'ত ৰাইজৰ পৰামৰ্শ বা মতামত প্ৰকাশৰো ব্যৱস্থা কৰা হৈছে। চৰকাৰৰ বিভিন্ন নীতি, আঁচনি বা কাৰ্যসূচীৰ বিষয়ে যদি কোনোবাই নিৰ্দিষ্টভাৱে জানিব বিচাৰে বা এই সম্পৰ্কত যদি ৰাইজৰ বিশেষ পৰামৰ্শ থাকে, তেতিয়াহ'লে আমালৈ লিখি পঠিয়ালে সেই বিষয়ে 'ৰাইজৰ বাতৰি'ত সবিশেষ প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব। 'ৰাইজৰ বাতৰি'ত চৰকাৰৰ জনকল্যাণমূলক আঁচনিৰ তথ্য-পাতিৰ লগতে ৰাইজৰ মতামতকো সমানেই গুৰুত্ব দিয়া হ'ব। ৰাইজৰ বিভিন্ন সমস্যা, সমাজৰ আন বিভিন্ন বিষয়কো 'ৰাইজৰ বাতৰি'ত আলোকপাত কৰা হ'ব। চৰকাৰ আৰু ৰাইজৰ মাজত যোগাযোগৰ এটা মাধ্যম হিচাপে নতুন ৰূপত প্ৰকাশ কৰিবলৈ লোৱা 'ৰাইজৰ বাতৰি'ক আগবঢ়াই নিয়া হ'ব। ৰাইজে নিশ্চিতভাৱে 'ৰাইজৰ বাতৰি'ৰ জৰিয়তে তেওঁলোকৰ সকলো মতামত চৰকাৰৰ ওচৰত উপস্থাপন কৰিব পাৰিব। অসম আৰু অসমবাসীৰ কল্যাণৰ হকে প্ৰয়োজনীয় সকলো বিষয় 'ৰাইজৰ বাতৰি'ত সামৰি ল'বলৈ প্ৰয়াস কৰা হ'ব। বিশেষকৈ যুৱ সমাজৰ প্ৰয়োজনীয় বিভিন্ন বিষয় ইয়াত প্ৰকাশ কৰা হ'ব। ৰাইজে যি ধৰণৰ পৰিৱৰ্তন আশা কৰি সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনক শাসনত বহুৱাইছে সেই পৰম আকাংক্ষিত পৰিৱৰ্তন তেতিয়াহে সম্ভৱ হ'ব যেতিয়া চৰকাৰ আৰু ৰাইজে একেলগে উন্নয়নমূলক আঁচনি বা কাৰ্যসূচীসমূহ ৰূপায়ণৰ বাবে আগবাঢ়ি যাব। অসমৰ সৰ্বাংগীণ উন্নয়নৰ বাবে ইতিমধ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিসমূহৰ বিষয়ে প্ৰতিটো সংখ্যাতে 'ৰাইজৰ বাতৰি'ত সবিস্তাৰে প্ৰকাশ পাব। ইতিমধ্যে আমাৰ যুৱক-যুৱতীসকলক বিভিন্ন বিষয়ত পাৰদৰ্শী কৰি তুলিবলৈ দক্ষতা বিকাশৰ বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। এই কাৰ্যসূচীসমূহত অংশগ্ৰহণৰ সুবিধাৰ্থে 'ৰাইজৰ বাতৰি'ত এনে বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীৰ সবিশেষ পৰৱৰ্তী সংখ্যাসমূহত প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। যুৱক-যুৱতীসকলেও যদি তেওঁলোকে জানিব বিচৰা বিষয়সমূহ লিখি আমালৈ পঠিয়ায়, তেতিয়াহ'লে আমি বিভিন্ন বিশেষজ্ঞৰ জৰিয়তে তেওঁলোকৰ প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ চেষ্টা কৰিম। মুঠতে বিভিন্নজনে আশা কৰাৰ দৰে 'ৰাইজৰ বাতৰি'ক চৰকাৰ আৰু ৰাইজৰ মাজত যোগাযোগৰ প্ৰকৃত আৰু সক্ৰিয় মাধ্যমৰূপে আগবঢ়াই নিবলৈ আমাৰ ফালৰ পৰা চেষ্টাৰ অকণো ত্ৰুটি কৰা নহ'ব।

# ৰাইজৰ সহযোগিতাৰে ৰাইজৰ চৰকাৰ

❐ *সৰ্বানন্দ সোণোৱাল*
**মুখ্য মন্ত্ৰী, অসম**



জনসাধাৰণে বিচৰা পৰিৱৰ্তন আৰু সকলো শ্ৰেণীৰ জন-গণৰ আস্থা তথা বিশ্বাসৰ ভেটিত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ ৰাজ্য চৰকাৰ শাসন ক্ষমতালৈ আহিছিল। ৰাজ্যখনক দেশৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ় দিয়া, ৰাজ্যখনৰ সম্পদ আৰু সম্ভাৱনীয়তাৰ আবিষ্কাৰ, অৰ্থনৈতিক ভেটি শক্তিশালীকৰণ, প্ৰশাসন যন্ত্ৰ সম্পূৰ্ণ নিকা কৰা, চৰকাৰী কাম-কাজলৈ স্বচ্ছতা অনা, উগ্ৰপন্থীৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰে কাৰ্য ব্যৱস্থা গ্ৰহণ ইত্যাদি লক্ষ্যৰে বৰ্তমানৰ ৰাজ্য চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে, যাতে জনসাধাৰণৰ আশা আৰু আকাংক্ষা বাস্তৱায়িত হয় আৰু ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত হয়।

বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, প্ৰদূষণমুক্ত আৰু সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ লক্ষ্যৰে চৰকাৰে আৰম্ভণিৰে পৰা দায়বদ্ধতাৰে কাম কৰি আহিছে। ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ 'সবকা সাথ সবকা বিকাশ' নীতিৰে নাতিদীৰ্ঘ এই সময়ছোৱাত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ উন্নয়নৰ বাবে চৰকাৰে দায়বদ্ধতাৰে আগবাঢ়িছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশ অবিহনে ৰাজ্যখনৰ সামগ্ৰিক বিকাশ সম্ভৱ নহয়। ৰাজ্যখনৰ সৰু-বৰ সকলো জনগোষ্ঠীৰ ভাষা, কলা, কৃষ্টি-সংস্কৃতিয়ে বৃহত্তৰ অসমৰ কৃষ্টি-সংস্কৃতিৰ বৰপথাৰখন জীপাল কৰি তুলিছে। সেইবাবে ৰাজ্য চৰকাৰে অসমৰ প্ৰতিটো জনগোষ্ঠীৰ নিৰাপত্তা, সমবিকাশ, সম-উন্নয়ন আৰু তেওঁলোকৰ চিন্তাধাৰাই যাতে অসমীয়া জাতিৰ চিন্তাধাৰাক উৰ্বৰ কৰিব পাৰে তাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে।

এক কঠিন অৰ্থনৈতিক সংকটৰ মাজত আমি শাসনভাৰ হাতত লৈছিলো। ইয়াক আমি এক প্ৰত্যাহ্বান হিচাপে লৈ ৰাজ্যৰ নিজস্ব ৰাজহ বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছিলো। এই ক্ষেত্ৰত এতিয়া এক আশাপ্ৰদ প্ৰতিচ্ছবি পৰিস্ফুট হৈছে। কেন্দ্ৰীয় চৰকাৰেও অসমৰ প্ৰাপ্য ধন প্ৰদানৰ ক্ষেত্ৰত তৎকালেই ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰই ইতিমধ্যে খাৰুৱা তেলৰ ৰয়েল্টিৰ বাবদ প্ৰথমতে ১৪৪৯ কোটি টকা মুকলি কৰি দিছে আৰু দ্বিতীয়বাৰ ৬০০০ হাজাৰ

কোটি টকা মুকলি কৰি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। বহু বছৰ ধৰি ৰাজ্যৰ ৰাজহ আহৰণৰ প্ৰক্ৰিয়াটো সঠিক আৰু সময়োচিত নাছিল বাবে ৰাজ্যখনৰ উন্নয়ন সঠিকভাৱে হোৱা নাছিল। ৰিষ্টাৰ্ট অসম, ই-নিবিদা, বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ জৰিয়তে অতিৰিক্ত পুঁজি আহৰণৰ লেখীয়া ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

চৰকাৰী কাম-কাজৰ পৰা দুৰ্নীতি আঁতৰ কৰিব নোৱাৰিলে আঁচনিসমূহৰ সুফল জনগণে লাভ কৰিব নোৱাৰে। সেইবাবে 'নিদিওঁ আৰু নলওঁ' নীতিৰে চৰকাৰী কৰ্মচাৰী আৰু জনসাধাৰণক দুৰ্নীতিৰ বিৰুদ্ধে যুঁজাৰ আহ্বান জনাইছো। প্ৰথম কেবিনেট বৈঠকতে চেক গে'টসমূহৰ দুৰ্নীতি বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হয়। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত মৌখিক সাক্ষাৎকাৰ বাতিল কৰা হয়। অসম লোকসেৱা আয়োগৰ বিৰুদ্ধে লোৱা কঠোৰ ব্যৱস্থাক ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। মুখ্য মন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি-বিৰোধী কোষ, অপৰাধ অনুসন্ধান বিভাগ, আৰক্ষী ইত্যাদিয়ে দুৰ্নীতিৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে চলোৱা অভিযানসমূহে বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

জনপ্ৰতিনিধিসকলে যাতে ৰাইজক ফলপ্ৰসূভাৱে সেৱা আগবঢ়াব পাৰে, তাৰ বাবে বাট-পথ নিৰ্মাণৰ বাবে প্ৰতিগৰাকী বিধায়কক ২ কোটি টকাকৈ মুকলি কৰি দিয়া হৈছে। গ্ৰামাঞ্চলৰ উন্নয়ন অবিহনে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ন কোনোপধ্যে সম্ভৱ নহয়। সেইবাবে ৰাজ্যখনৰ ২৫৪২৫ গাঁৱক সামৰি 'মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' নামৰ এখন বৃহৎ অভিযান আৰম্ভ কৰা হৈছে। এই যোজনাৰ অধীনত প্ৰতিখন গাঁৱতে ১.২ কোটি টকা ব্যয় কৰা হ'ব। কৃষিখণ্ডৰ আয় দুগুণলৈ বৃদ্ধি কৰাটোৱেই এই আঁচনিখনৰ মূল লক্ষ্য।

কৃষিখণ্ডৰ লগতে উদ্যোগ খণ্ডৰ বিকাশৰ বাবেও আমি পদক্ষেপ গ্ৰহণ কৰিছো। সামগ্ৰী আৰু সেৱা কৰৰ সাংবিধানিক বিধেয়কখন অনুমোদন কৰাৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰতে সৰ্বপ্ৰথম ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। বিধানসভাৰ প্ৰথম অধিৱেশনতে 'দ্য আছাম ইছ অৱ ডুয়িং বিজনেছ বিল-২০১৬' খন অনুমোদন জনাই চৰকাৰখনে ৰাজ্যখনত এক ব্যৱসায়িক অনুকূল বাতাবৰণ সৃষ্টিৰ বাবে থকা দায়বদ্ধতাৰ কথাই সূচাইছে। আমাৰ নতুন প্ৰজন্মৰ দক্ষতা বৃদ্ধিৰ বাবে দক্ষতা, নিয়োগ, ঔদ্যোগিক উন্নয়ন বিভাগ নামেৰে এটি নতুন বিভাগ মুকলি কৰা হৈছে। চৰকাৰে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত ব্যৱসায়িক সম্পৰ্ক স্থাপন তথা ইয়াৰ বৃদ্ধিৰ বাবে গুৱাহাটীত বিশ্বমানৰ এটা গ্লোবেল বিজনেছ চেন্টাৰ স্থাপনৰ বাবে প্ৰস্তাৱ লৈছে। দেশী-বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহে ইতিবাচক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। পতঞ্জলি ফুড এণ্ড হাৰ্বেল পাৰ্কৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু কেইবাটাও দেশী-বিদেশী কোম্পানীয়ে ৰাজ্যখনত বিনিয়োগৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। ইয়াৰ ফলত ৰাজ্যখনৰ বিকাশৰ লগতে নিয়োগৰ সুবিধা সৃষ্টি কৰিব।

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই বিমুদ্ৰাকৰণৰ শক্তিশালী পদক্ষেপেৰে দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে। ডিজিটেল পেমেণ্টৰ জৰিয়তে ৰাজ্যৰ চাহ বাগিচাসমূহক সামৰি লোৱাটো এক ডাঙৰ প্ৰত্যাহ্বান আছিল। ৰাজ্য চৰকাৰে বেংকিং খণ্ড তথা ৰাইজৰ সহযোগিতাৰে কোনো খেলিমেলিৰ উদ্ভৱ নোহোৱাকৈ এই ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰিছে।

আমাৰ সংস্কৃতি হ'ল মহামিলনৰ সংস্কৃতি। ই হ'ল আমাৰ জাতীয় জীৱনৰ পৰিচয়। ইয়াক শক্তিশালীকৰণৰ বাবে নিৰলস প্ৰয়াস আৰু নিৰ্দিষ্ট সাংস্কৃতিক কৰ্মসূচীৰ প্ৰয়োজন। নতুন প্ৰজন্মই যাতে ৰাজ্যৰ ইতিহাস জানিবলৈ সুযোগ লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে জাতীয় জীৱনক শক্তিশালী কৰা মহাপুৰুষ, মহান বীৰ আৰু মনীষীসকলক স্মৰণ কৰাৰ বাবে জাতীয় দায়বদ্ধতাৰে কাম কৰিছে। আমাৰ ইতিহাস গৌৰৱোজ্জ্বল। আমাৰ মহাপুৰুষ আৰু মনীষীসকলে দিয়া পথ আৰু বাণীৰে যাতে আমি উজলি উঠিব পাৰো তাৰ বাবে গাঁও আৰু চহৰ উভয়কে সামৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মে-ডাম-মে-ফী, চিলাৰায় দিৱস আৰু আলি আয়ে লৃগাং ইত্যাদি উৎসৱসমূহ এইবছৰৰ পৰা ৰাজ্যিক কাৰ্যসূচীৰ অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিটো জনগোষ্ঠীয়ে যাতে মৰ্যাদা সহকাৰে জীয়াই থাকি ৰাজ্যৰ উন্নয়নৰ ক্ষেত্ৰত নতুন মাত্ৰা সংযোজন কৰিব পাৰে, তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। চৰকাৰৰ সকলো কাম-কাজত ৰাইজৰ সহযোগিতাৰ উপৰি চৰকাৰী কাম-কাজসমূহত ৰাইজে চোকা দৃষ্টি ৰাখিব লাগিব। কাৰণ ৰাইজেই আমাৰ অভিভাৱক। আশা কৰো, চৰকাৰৰ ভৱিষ্যতৰ কৰ্মপন্থা আৰু যাত্ৰাত ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম অঞ্চলত বসবাস কৰা সকলো শ্ৰেণীৰ ৰাইজ অংশীদাৰ হৈ তেওঁলোকৰ মহামূল্যৱান উপদেশেৰে আমাৰ চৰকাৰখনক সমৃদ্ধ কৰিব আৰু অসমখনক অধিক প্ৰগতিৰ পথত আগুৱাই নিবলৈ সহযোগ কৰিব।❐❐

# জনসাধাৰণ আৰু প্ৰশাসনৰ মাজত সেতু বন্ধনৰ ৰূপত অৱতীৰ্ণ হওক

# ৰাইজৰ বাতৰি



❑ *হৃষীকেশ গোস্বামী*
*মুখ্য মন্ত্ৰীৰ মিডিয়া উপদেষ্টা*

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সংবাদ পত্ৰৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। আমাৰ গণতান্ত্ৰিক ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ইতিবাচক দায়িত্ব আদৰণীয়। সংবাদ মাধ্যম শক্তিশালী হ'লে গণতন্ত্ৰৰ আন স্তম্ভবোৰো শক্তিশালী হৈ পৰে। প্ৰশাসন আৰু জনগণৰ মাজত যোগসূত্ৰ স্থাপনৰ ক্ষেত্ৰতো সংবাদ মাধ্যমে চালিকা শক্তি হিচাপে কাম কৰে। ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ আলোকপাতেৰে সমাজক এক গতিশীল নেতৃত্ব দিব পৰা গুণবোৰ আহৰণ কৰি সংবাদ মাধ্যমে নিজৰ দায়িত্ব আৰু কৰ্তব্য সঠিকভাৱে ৰূপায়ণ কৰাটো সময়ৰ আহ্বান। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশৰ লগে লগে সামাজিক চিন্তা, কৰ্ম পদ্ধতি তথা সমগ্ৰ বিশ্বৰ সামগ্ৰিক প্ৰেক্ষাপটৰ দ্ৰুত সলনি হৈছে। সমগ্ৰ বিশ্বতে আজি এক প্ৰতিযোগিতামুখী বাতাবৰণে গা কৰি উঠিছে। এই প্ৰতিযোগিতামুখী পৰিৱেশৰ মাজত আমাৰ স্থিতি শক্তিশালীভাৱে দাঙি ধৰিব লাগিলে সংবাদ মাধ্যমে নতুন চিন্তাৰে আগুৱাই যোৱাৰ বাবে সদাপ্ৰস্তুত হৈ থাকিব লাগিব।

'ৰাইজৰ বাতৰি'য়ে চৰকাৰ আৰু জনগণৰ চিন্তাৰ সাৰ্থক প্ৰতিফলন কৰিব লাগিব। বিশেষকৈ ৰাইজ আৰু চৰকাৰৰ মাজত সেতু ৰূপে কাম কৰাৰ বাবে এক মানসিকতা আহৰণ কৰিব লাগিব। আমাৰ দেশখনৰ বুজন সংখ্যক লোকে গ্ৰামাঞ্চলত বসবাস কৰে। গাঁৱৰ উন্নয়ন অবিহনে দেশৰ প্ৰগতি অসম্ভৱ। চৰকাৰৰ বহু আঁচনি গাঁও অঞ্চলৰ উন্নয়নৰ বাবে ৰূপায়িত হৈ আহিছে। কিন্তু এই আঁচনিসমূহৰ বিষয়ে জনসাধাৰণ বহু সময়ত সঠিকভাৱে জ্ঞাত নহয়। সেইবাবে আঁচনি ৰূপায়ণৰ প্ৰক্ৰিয়াটোৰ বিষয়ে পিছপৰা গাঁৱৰ জনসাধাৰণে যাতে সঠিকভাৱে জানিবলৈ সক্ষম হয় তাৰ বাবে 'ৰাইজৰ বাতৰি'য়ে এক দৃঢ় পদক্ষেপ ল'ব।

আমাৰ সমাজৰ গৰিষ্ঠ সংখ্যকেই হ'ল যুৱ প্ৰজন্ম। আমাৰ দেশৰ ভৱিষ্যৎ এই যুৱ প্ৰজন্মক সঠিক পথৰ সন্ধান দিব নোৱাৰিলে দেশ তথা ৰাজ্যখন গতিশীল কৰি তোলাটো কোনোপধ্যেই সম্ভৱ নহয়। আমি যুৱ প্ৰজন্মক নতুন আশাৰে উদ্বুদ্ধ কৰিব লাগিব। যুৱচামৰ মানসিক দিগন্ত প্ৰসাৰিত কৰি ভৱিষ্যতে এক সুৰক্ষিত জীৱন যাপনৰ বাবে তেওঁলোকক মানসিকভাৱে দৃঢ় কৰিব লাগিব। এই ক্ষেত্ৰত 'ৰাইজৰ বাতৰি'য়ে তেওঁলোকৰ মানসিকতাক সন্তুলিত কৰিব পৰাকৈ এক পৰিৱেশ দিব লাগিব। বিশেষকৈ কৰ্ম সংস্থাপন পাব পৰা সংবাদ পৰিৱেশনৰ জৰিয়তে তেওঁলোকৰ ভৱিষ্যতৰ পথ দেখুৱাই দিয়াৰ বাবেও কাম কৰি যাব লাগিব।

জন-গণৰ উন্নয়নৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে একাধিক আঁচনি ৰূপায়ণ কৰি আহিছে। এই আঁচনিসমূহ যথাৰ্থ ৰূপত জনসাধাৰণৰ আগত দাঙি ধৰিব লাগিব। শেহতীয়াভাৱে ৰাজ্য চৰকাৰে 'মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' নামেৰে এক অভিলাষী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিখনৰ সফল ৰূপায়ণে গ্ৰামাঞ্চলৰ মানচিত্ৰ সলনি কৰিব বুলি আমি গভীৰভাৱে বিশ্বাস কৰো। এই আঁচনিখনৰ প্ৰতি ৰাইজৰ আকৰ্ষণ আৰু ৰূপায়ণৰ প্ৰক্ৰিয়াটোৰ সৈতে জনসাধাৰণক জড়িত কৰিব পৰাকৈ সামাজিক সচেতনতা সৃষ্টিৰ ক্ষেত্ৰতো 'ৰাইজৰ বাতৰি'য়ে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। চৰকাৰী আঁচনিসমূহৰ বিষয়ে জন-গণক যিমানেই সজাগ আৰু সচেতন কৰিব পৰা যায়, সিমানেই আঁচনি এখনৰ স্বচ্ছ; নিকা আৰু সঠিক ৰূপায়ণ সম্ভৱ হৈ পৰে। আশা কৰো, 'ৰাইজৰ বাতৰি'য়ে চৰকাৰৰ প্ৰতিখন আঁচনিকে জন-গণমুখী কৰাৰ বাবে নিষ্ঠাৰে দায়িত্ব পালন কৰি যাব।

চৰকাৰ এখন সঠিকভাৱে আগবাঢ়ি যোৱাৰ বাবে জনসাধাৰণৰ সচেতনতাৰ উপৰি ৰাইজৰ দিহা-পৰামৰ্শও অতিশয় প্ৰয়োজন। অসম হ'ল বিভিন্ন জাতি-জনগোষ্ঠী তথা বৈচিত্ৰ্যময় ভৌগোলিক পৰিৱেশৰ সমাহাৰ। সেয়েহে বিভিন্ন জাতি-জনগোষ্ঠী, ভৌগোলিক পৰিৱেশৰ সমস্যাও সুকীয়া। এই সমস্যাসমূহ চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ বাতৰি কাকতখনে সুযোগ প্ৰদান কৰিব লাগিব। সমস্যা সম্পৰ্কত যিমানেই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা যায় সমাধানৰ পথো সোনকালে ওলোৱাৰ থল থাকে। চৰকাৰে প্ৰকৃততে কেনেদৰে কাম কৰা উচিত সেই সম্পৰ্কতো ৰাইজক পৰামৰ্শ প্ৰদান কৰাৰ সুবিধা দিব লাগিব। চৰকাৰৰ ভুল-ভ্ৰান্তিসমূহ চিঠি- পত্ৰৰ জৰিয়তে গঠনমূলক পৰামৰ্শ দাঙি ধৰাৰ বাবে সুযোগ প্ৰদান কৰিব লাগিব। কাৰণ চৰকাৰী কাম-কাজত গঠনমূলক সমালোচনা অতিশয় প্ৰয়োজন। এই দিশতো 'ৰাইজৰ বাতৰি'য়ে যথোচিত গুৰুত্ব প্ৰদান কৰিব লাগিব, যাতে চৰকাৰে এক গতিশীল পদক্ষেপেৰে ৰাজ্যখনক আগবঢ়াই নিব পাৰে।

নতুন ৰূপত 'ৰাইজৰ বাতৰি'ৰ আত্মপ্ৰকাশে অসমৰ সংবাদ জগতলৈ এক আশাৰ বাৰ্তা নিশ্চিতৰূপে কঢ়িয়াই আনিব। চৰকাৰ আৰু সাংবাদিক উভয়ৰে কাম হ'ল ৰাইজৰ পক্ষত আৰু ৰাইজৰ স্বাৰ্থত কাম কৰা। সেইবাবে চৰকাৰ আৰু সাংবাদিকে একেলগে কাম কৰিব লাগিব। আমি এক নতুন আত্মবিশ্বাস, দৃঢ়তাৰে কাম কৰাৰ মানসিকতা আহৰণ কৰিব পাৰিলে আমাৰ উন্নয়নৰ এক নতুন পথ ৰচনা হ'ব বুলি মোৰ দৃঢ় বিশ্বাস।❑❑

# ৰাইজৰ চিঠি

## চৰকাৰ-ৰাইজৰ যোগসূত্ৰ হওক 'ৰাইজৰ বাতৰি'

সম্পাদক মহোদয়,

'ৰাইজৰ বাতৰি' পুনৰ প্ৰকাশ পাব বুলি জানি সুখী হৈছো। পযেকীয়া আলোচনী ৰূপত প্ৰকাশ পাবলগীয়া 'ৰাইজৰ বাতৰি' পঢ়িবলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছো। আপোনাৰ সম্পাদনাত আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপেৰে প্ৰকাশ পাব বুলি আমি আশা কৰিছো। আনহাতে, এই সুযোগতে আলোচনীখন সন্দৰ্ভত আমাৰ ফালৰ পৰা দুটামান কথা ক'বলৈ বিচাৰিছো। প্ৰথম কথাটো হ'ল— 'ৰাইজৰ বাতৰি' চৰকাৰ আৰু ৰাইজৰ মাজৰ যোগসূত্ৰ হিচাপে পৰিগণিত হোৱাটো বিচাৰো। মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে বিভিন্ন দিশত উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ সৰ্বস্তৰৰ নাগৰিকৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কল্যাণমূলক আঁচনি ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইয়াৰ বাবে চৰকাৰ নিঃসন্দেহে প্ৰশংসাৰ যোগ্য। এতিয়া কথা হ'ল ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি আৰু কাম-কাজৰ বিষয়ে জনসাধাৰণক বিষদভাৱে অৱগত কৰোৱাৰ ক্ষেত্ৰত 'ৰাইজৰ বাতৰি'য়ে নিশ্চয় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰিব। আনহাতে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত দিহা-পৰামৰ্শৰে তেওঁলোকৰ জীৱন গঢ়াৰ ক্ষেত্ৰতো দিশ-নিৰ্দেশনা দিব পৰা লেখা 'ৰাইজৰ বাতৰি'ত প্ৰকাশৰ দিহা কৰিব লাগে। কৰ্মসংস্থাপন বিচাৰি থকা যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ পথ দেখুওৱাৰ ক্ষেত্ৰতো 'ৰাইজৰ বাতৰি'য়ে বিশেষ ভূমিকা ল'ব বুলি আশা কৰিছো। নিবনুৱাসকলৰ বাবে চৰকাৰে ৰূপায়ণ কৰা নিয়োগমুখী বিভিন্ন আঁচনিৰ বিষয়ে বিশদভাৱে প্ৰকাশ কৰাৰ লগতে আৰ্থিক সাহায্য আদিৰ বিষয়েও 'ৰাইজৰ বাতৰি'ৰ মাধ্যমেৰে জ্ঞাত কৰাব পাৰিলে নিবনুৱাসকল নিশ্চয় উপকৃত হ'ব। মুঠতে সমাজৰ সৰ্ব স্তৰৰ লোকৰ প্ৰয়োজন পূৰণ কৰিব পৰা এখন আলোচনীৰ ৰূপত 'ৰাইজৰ বাতৰি'ক পাম বুলি অপেক্ষা কৰিছো।

*সত্যেন দাস*
*হাউলী*

## প্ৰকৃত তথ্যপ্ৰাপ্তিৰ আশাৰে...

সম্পাদক ডাঙৰীয়া,

অসম চৰকাৰৰ জনসংযোগ বিভাগৰ দ্বাৰা প্ৰকাশিত 'ৰাইজৰ বাতৰি' প্ৰকৃত অৰ্থত চৰকাৰৰ মুখপত্ৰ। চৰকাৰৰ কাম-কাজ, আঁচনি, পৰিকল্পনাসমূহ ৰাইজৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰাই কাকতখনৰ লক্ষ্য আৰু উদ্দেশ্য। স্বাভাৱিকতেই এইবোৰ ৰাইজক জনোৱাৰ আৱশ্যকতা আছে। কিন্তু আমাৰ বোধেৰে প্ৰকৃত জনসংযোগ ৰক্ষা কৰিবলৈ হ'লে 'ৰাইজৰ বাতৰি'য়ে চৰকাৰ আৰু ৰাইজৰ মাজত এক যোগসূত্ৰৰ ভূমিকা পালন কৰা উচিত। দুয়োটা পক্ষৰ কথা নিৰপেক্ষভাৱে প্ৰকাশ কৰিলেহে এই ভূমিকা যোগ্য অনাই সফল হ'ব। আশা কৰো নতুনকৈ প্ৰকাশ পাবলগীয়া 'ৰাইজৰ বাতৰি'ক এই নতুন ৰূপত দেখিবলৈ পাম।

*নীলোৎপল নাথ*
*তেজপুৰ*

## চৰকাৰী আঁচনি বনাম জনসাধাৰণ

সম্পাদক ডাঙৰীয়া,

বাতৰি কাকতত পঢ়িবলৈ পালো—'ৰাইজৰ বাতৰি' হেনো পুনৰ প্ৰকাশ পাব। আমি 'ৰাইজৰ বাতৰি'ৰ নিয়মীয়া পঢ়ুৱৈ আছিলো। কিন্তু কাকতখনৰ প্ৰকাশ হঠাৎ বন্ধ হোৱাত আমি সেই আনন্দ লাভৰ পৰা বঞ্চিত হ'বলগীয়া হ'ল। এতিয়া পুনৰ প্ৰকাশ পাব বুলি জানিব পাৰি ভাল লাগিছে। আশা কৰো কাকতখন এইবাৰ আৰু অধিক উন্নত ৰূপত প্ৰকাশ পাব। কাকতখন কেৱল চৰকাৰী মুখপত্ৰৰ দৰে নহৈ সাধাৰণ মানুহৰ কথাও প্ৰকাশৰ মাধ্যম হওক। চৰকাৰে কৰিবলৈ ওলোৱা বা কৰা কামবোৰৰ কথা প্ৰকাশ কৰাৰ সমান্তৰালভাৱে এই কামবোৰৰ সুফল সাধাৰণ মানুহে পালেনে নাপালে বা এই কাম সন্দৰ্ভত সাধাৰণ মানুহৰ অনুভৱ কেনে তাকো প্ৰকাশ কৰা উচিত। তেহে সংবাদ মাধ্যমৰ নিৰপেক্ষতা অটুট থাকিব। আমি লগতে আশা কৰো যে সাধাৰণ মানুহে ৰাজহুৱা অভাৱ-অভিযোগবোৰ 'ৰাইজৰ বাতৰি'ৰ জৰিয়তে সংশ্লিষ্ট মন্ত্ৰী বা কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাৰ লগতে সেই সন্দৰ্ভত তেওঁলোকৰ প্ৰতিক্ৰিয়া জানিব পৰাৰ ব্যৱস্থা এটাও কাকতখনত ৰাখিব। আমি ভাবো তেনে কৰিলে চৰকাৰ আৰু ৰাইজৰ মাজৰ ব্যৱধান কমিব আৰু ৰাইজেও ক'বলগীয়া কথাখিনি জনাই তাৰ উত্তৰ প্ৰশাসনীয় মেৰপেচ নোহোৱাকৈয়ে পোনপটীয়াকৈ মন্ত্ৰী বা কৰ্তৃপক্ষৰ পৰা জানিব পাৰিব।

*পিংকী বৰা*
*নগাঁও*

## প্ৰধান মন্ত্ৰী মোদীক অশেষ ধন্যবাদ

মানুহৰ অন্তৰত মহানুভৱতা আৰু দায়বদ্ধতা থাকিলে দুঃসাধ্যকো সহজে সাধন কৰিব পাৰি, যদিহে একে সময়তে তেওঁ হয় পৰ্যাপ্ত ক্ষমতাৰ অধিকাৰী। এই কথাকে প্ৰমাণ কৰিলে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। স্বাধীনতাৰ পিছত ভাৰতে ইমানকেইগৰাকী প্ৰধান মন্ত্ৰী পালে, কিন্তু তেওঁলোকৰ মাজত তেওঁৰ ব্যক্তিত্ব সুকীয়া। দেশৰ চৰকাৰ পৰিচালনাৰ সীমাহীন ব্যস্ততাৰ মাজতো অসমৰ এটি নৱজাত শিশুৰ প্ৰাণৰক্ষাৰ বাবে যি দায়বদ্ধতা তেওঁ পালন কৰিলে, সিয়ে দেশৰ জনসাধাৰণৰ প্ৰতি তেওঁৰ হিতৈষী মনোভাৱকে প্ৰকট কৰিলে। উত্তৰ প্ৰদেশৰ নিৰ্বাচনী ব্যস্ততাৰ মাজতো প্ৰধান মন্ত্ৰীয়ে হাঁওফাঁওৰ সংক্ৰমণত গুৰুতৰভাৱে আক্ৰান্ত হোৱা অসমৰ ৮ দিনীয়া কেঁচুৱা এটিক সংকটজনক অৱস্থাত দিল্লী বিমান বন্দৰৰ পৰা জৰুৰীকালীন চিকিৎসাৰ বাবে গংগাৰাম হস্পিতাললৈ নিবলৈ শিশুটিৰ প্ৰাণৰক্ষাৰ স্বাৰ্থত দিল্লীৰ ব্যস্ত ৰাজপথত যান-বাহনৰ চলাচল বন্ধ কৰাই ক্ষিপ্ৰতাৰে চিকিৎসালয় পোৱাৰ যি ব্যৱস্থা কৰাই দিলে সেয়া নিশ্চয়কৈ প্ৰশংসনীয়। ক্ষমতা পোৱাটোৱেই শেষ কথা নহয়, ক্ষমতাৰ ব্যৱহাৰহে যে মূল কথা তাকে দেখুৱালে প্ৰধান মন্ত্ৰী মোদীয়ে। 'ৰাইজৰ বাতৰি'ৰ যোগেদি আমি প্ৰধান মন্ত্ৰীক ধন্যবাদ জনালো। আশা কৰো প্ৰধান মন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীৰ এনে সেৱা দেশবাসীয়ে দীৰ্ঘকাল লাভ কৰিব।

*চক্ৰধৰ গগৈ*
*ডিব্ৰুগড়*

# অসমীয়াই বীৰদৰ্পে আত্মপ্ৰতিষ্ঠা কৰক

❐ *ধীৰেন্দ্ৰনাথ চক্ৰবৰ্ত্তী*

*অসমক পিছুৱাই নিয়াৰ কাৰকসমূহৰ ভিতৰত অন্যতম হ'ল অসমীয়া মানুহৰ কৰ্ম্মবিমুখতা আৰু উদ্যোগহীনতা। অসমীয়া মানুহে আজিকালি নিজে খেতি কৰিবলৈ এৰিছে। মাত্ৰ চাৰি-পাঁচ হেজাৰ টকীয়া ছিকিউৰিটী জাতীয় কামৰ বাবে লাখৰ হিচাপত অসমীয়া ডেকা আজি অন্য ৰাজ্যলৈ ঢাপলি মেলিছে। আনহাতে ৰাজ্যখনৰ ২৫ লাখ নিবনুৱা ডেকা-গাভৰুৰ শতকৰা ৯০ ভাগেই নিযুক্তিৰ বাবে অনুপযোগী। অসমীয়া মানুহৰ উচ্চাৰণ বেয়া হোৱাৰ বাবেই দক্ষিণ আৰু উত্তৰ ভাৰতৰ মানুহে অসমীয়া মানুহৰ ইংৰাজী বা হিন্দী বুজি নাপায়। নিৰক্ষৰ পিতৃ মাতৃৰ সন্তানসকলক প্ৰাথমিক পৰ্য্যায়ত পঢ়ুওৱা শিক্ষকসকলৰ নিজৰ উচ্চাৰণেই পুতৌ লগা। অসমীয়া ৰাজনৈতিক নেতাসকলৰ সৰহখিনিৰেই অধ্যয়নৰ প্ৰতি আগ্ৰহ নাই। সেয়েহে সংসদলৈ যোৱা প্ৰতিনিধিকেইজনে কেন্দ্ৰীয় মন্ত্ৰী অথবা কেন্দ্ৰীয় সচিবসকলৰ পৰা দাবী ধমকি দি কোনো বস্তু আদায় কৰিব নোৱাৰে। ক্ৰীড়াৰ ক্ষেত্ৰত বিশেষকৈ এজনো টেষ্ট খেলুৱৈ সৃষ্টি কৰিব নোৱৰাটো ডাঙৰ ব্যৰ্থতা।*

যীশুখ্ৰীষ্টৰ আৱিৰ্ভাবৰ চাৰি হেজাৰ বছৰৰ আগতেই অসমৰ মাটিত বিকশিত হৈছিল সমকালীন বিশ্বৰ ভিতৰতে উজ্বলতম এক সংস্কৃতি-সভ্যতা। মহাভাৰতৰ কুৰুক্ষেত্ৰ মহাযুদ্ধত নব্বৈ বছৰীয়া অসমীয়া সেনাপতি ভগদত্তই কৌৰৱৰ পক্ষ লৈ যি পৰাক্ৰম প্ৰদৰ্শন কৰিছিল সেয়ে প্ৰাচীনকালৰ অসমীয়া মানুহৰ বলবীৰ্য্যৰ প্ৰমাণ দিয়ে। সপ্তম শতিকাত কুমাৰ ভাস্কৰ বৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত আছিল উজ্জয়িনীত আয়োজিত হৰ্ষবৰ্দ্ধনৰ সৰ্বভাৰতীয় সন্মিলনত। ত্ৰয়োদশ শতিকাৰ পৰা উনৈশ শতিকাৰ আৰম্ভণি পৰ্য্যন্ত আহোম স্বৰ্গদেউসকলৰ দিনত অসমীয়া প্ৰতিষ্ঠিত হৈছিল ভাৰতৰ ন্যূনতম শক্তিশালী আৰু উন্নত জাতি হিচাপে। অসমৰ মানুহে সেই সময়তে ভাৰতৰ ভিতৰতে প্ৰথমবাৰৰ কাৰণে বুৰঞ্জী ৰচনাৰ চৰ্চ্চা কৰে। অসমত প্ৰবৰ্ত্তিত হয় বিশ্বৰ পোনপ্ৰথম ধৰ্ম্মনিৰপেক্ষ প্ৰশাসন। আহোম স্বৰ্গদেউসকলৰদ্বাৰাই অসমত বাস কৰা মুছলমানসকলে লাভ কৰিছিল আহোম আৰু বৰ্ণহিন্দুৰ সৈতে সম্পূৰ্ণ সম অধিকাৰ, যিটো দেশৰ আন ৰাজ্যত সম্ভৱপৰ নাছিল। অসমৰ অতি বিচক্ষণ ৰাজবিষয়া আৰু মহাবীৰ লাচিত বৰফুকনৰ মন্ত্ৰদ্ৰষ্টা মোমাই তামুলী বৰবৰুৱাই পৃথিবীৰ ভিতৰতে পোনপ্ৰথমবাৰৰ কাৰণে প্ৰৱৰ্ত্তন কৰিছিল আৰ্থ-সামাজিক পৰিকল্পনা। মোমাই তামুলী বৰবৰুৱাই প্ৰৱৰ্ত্তন কৰা ব্যৱহাৰ কাৰণেই প্ৰতিগৰাকী অসমীয়া মহিলাই তাঁত বব পাৰিছিল আৰু প্ৰতিজন অসমীয়াই যুঁজ দিয়াৰ লগতে গড় মাৰিব আৰু নাও চলাব পাৰিছিল — যেনেধৰণৰ সৈনিক মোগল সেনাপতি ৰামসিংহই ভাৰতৰ ক'তো দেখা নাছিল। ষোড়শ শতিকাতে প্ৰৱৰ্ত্তন কৰা পৰিকল্পিত ব্যৱস্থাৰ কাৰণেই অসমৰ গাঁওসমূহৰ চেহেৰা ভাৰতৰ আন সকলো ৰাজ্যৰ তুলনাত উন্নত। অসমৰ দৰে আন কোনো ৰাজ্যৰ গাঁৱত প্ৰতিজন গৃহস্থৰ বাৰীত নাই চাৰিঢাপ আৰু জেওৰা। অসমৰ মানুহে জনা উচিত যে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত সাংস্কৃতিক শুদ্ধ পৰম্পৰাৰ কাৰণেই সম্পূৰ্ণ নিৰক্ষৰ হ'লেও এজন

অসমীয়া গাঁৱলীয়া মানুহৰ আচাৰ-ব্যৱহাৰৰ তুলনাত উন্নত। অসমৰ বৈশিষ্ট্য আৰু মহত্ব কেৱল আমাৰ মানুহৰ উন্নত সংস্কৃতিতেই সীমাবদ্ধ থকা নাই। অসমত দেশৰ ভিতৰতে বৈচিত্র্যপূৰ্ণ প্ৰকৃতি আৰু সমাহাৰ মন কৰিবলগীয়া। অসমত যিমানবিলাক গছ-গছনি, ঔষধি গছ আৰু অৰ্কিড, জন্তু আৰু আভ্যন্তৰীণ মাছ পোৱা যায় সম আয়তনৰ পৃথিৱীৰ কোনো ঠাইতেই সিমানখিনি সম্পদ পোৱা নাযায়। ভাৰতৰ অন্য ৰাজ্যত ছটা ঋতু আছে যদিও অসমত প্ৰাকৃতিক বৈচিত্র্যৰ বাবেই ঋতুৰ সংখ্যা আঠটা। ইমানখিনি সম্পদ আৰু ঐতিহ্য থকা সত্বেও অসমীয়াৰ ভাগ্যলৈ ১৭৮০ চনৰ পৰা ১৮২৬ চন পৰ্যন্ত আহিছিল ভয়ানক দুৰ্যোগ। ঊনৈশ শতিকাৰ মাজভাগৰ পৰা আৰু বিশেষকৈ সেই শতিকাৰ অষ্টম দশকৰ পৰা অসমত আৰম্ভ হয় নৱজাগৰণৰ সূৰ্য্যোদয়, যাৰ প্ৰথমগৰাকী স্বপ্নদ্ৰষ্টা আছিল আনন্দৰাম ঢেকীয়াল ফুকন। ঊনৈশ শতিকাৰ শেহভাগত জোনাকী কাকতৰ যোগে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱা প্ৰমুখ্যে মহান অসমীয়াসকলৰ নেতৃত্বত আৰম্ভ হয় আধুনিক অসমীয়া সাহিত্যৰ জয় যাত্ৰা। কুৰি শতিকাৰ দ্বিতীয় দশকত অসম সাহিত্য সভা, অসম এছ'চিয়েছন, অসম ছাত্ৰ সন্মিলন আদিৰ জন্ম হৈ বাট মুকলি কৰে স্বাধীনতা যুদ্ধৰ। মহাত্মাৰ নেতৃত্বত চলা প্ৰতিটো আন্দোলনতেই দেশৰ ভিতৰতে গৌৰৱোজ্জ্বল ভূমিকা গ্ৰহণ কৰি অসমীয়াই দেশপ্ৰেম আৰু দায়িত্ববোধৰ পৰিচয় দি মহাত্মাৰ প্ৰশংসা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। স্বাধীনতাৰ প্ৰথমকালছোৱাত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমে যি গতিত অগ্ৰসৰ হ'ব খুজিছিল সেই ধাৰা অৱশ্যে পৰৱৰ্তী কালছোৱাত অব্যাহত নাথাকিল। গোপীনাথ বৰদলৈৰ পৰৱৰ্তী কালছোৱাত অসমীয়া ৰাজনৈতিক নেতৃত্বৰ দুৰ্ব্বলতাৰ কাৰণেই ৰাজ্যখন বহু প্ৰাপ্যৰপৰা বঞ্চিত হ'ল আৰু এসময়ত দেশৰ উন্নয়নৰ ক্ষেত্ৰত মধ্যম স্থানত থকা অসম অতি পিছপৰা পাঁচখন ৰাজ্যৰ মাজত সোমাবলগীয়া অৱস্থা হ'ল। শিক্ষাৰ আৰু মানসিক উৎকৰ্ষতাৰ ক্ষেত্ৰত আনন্দৰাম বৰুৱাই আই চি এছ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ এশ বছৰৰ পিছতহে অসমীয়া ল'ৰাই আই এ এছ পদ ল'বলৈ সক্ষম হ'ল। প্ৰথম অৱস্থাত নিয়মীয়াভাৱে অসমীয়া ল'ৰাৰ মাজৰ পৰা বছৰি দুই একে আই এ এছ (১ নং) পদ লাভ কৰিছিল যদিও যোৱা দশকটোত অসমীয়া আই এ এছ নায়েই বুলিব পাৰি। দ্বিতীয় শ্ৰেণীৰ আই এ এছ পোৱাটো একো ডাঙৰ কথা নহয়। কিন্তু আমাৰ গণমাধ্যমে ৰে'লৰে, ৰাজহ আৰু তথ্যসেৱাৰ বাবে দুই এজনে দ্বিতীয় শ্ৰেণীৰ আই এ এছ মনোনয়ন পালেই হৈ চৈ লগাই দিয়ে। অসমীয়া মানুহে জনা উচিত যে এজন আনন্দৰাম বৰুৱা বা এজন জিতেন্দ্ৰ কুমাৰ বৰপূজাৰী বা ডঃ জিতেন গোস্বামীক লৈয়ে অসমীয়াই আজিৰ যুগত মূৰ তুলি ঠিয় হ'ব নোৱাৰে। অসমক পিছুৱাই নিয়াৰ কাৰকসমূহৰ ভিতৰত অন্যতম হ'ল অসমীয়া মানুহৰ কৰ্ম্মবিমুখতা আৰু উদ্যোগহীনতা। অসমীয়া মানুহে আজিকালি নিজে খেতি কৰিবলৈ এৰিছে। মাত্ৰ চাৰি-পাঁচ হেজাৰ টকীয়া ছিকিউৰিটী জাতীয় কামৰ বাবে লাখৰ হিচাপত অসমীয়া ডেকা আজি অন্য ৰাজ্যলৈ ঢাপলি মেলিছে। আনহাতে ৰাজ্যখনৰ ২৫ লাখ নিবনুৱা ডেকা-গাভৰুৰ শতকৰা ৯০ ভাগেই নিযুক্তিৰ বাবে অনুপযোগী। অসমীয়া মানুহৰ উচ্চাৰণ বেয়া হোৱাৰ বাবেই দক্ষিণ আৰু উত্তৰ ভাৰতৰ মানুহে অসমীয়া মানুহৰ ইংৰাজী বা হিন্দী বুজি নাপায়। নিৰক্ষৰ পিতৃ মাতৃৰ সন্তানসকলক প্ৰাথমিক পৰ্য্যায়ত পঢ়ুওৱা শিক্ষকসকলৰ নিজৰ উচ্চাৰণেই পুতৌ লগা। অসমীয়া ৰাজনৈতিক নেতাসকলৰ সৰহখিনিৰেই অধ্যয়নৰ প্ৰতি আগ্ৰহ নাই। সেয়েহে সংসদলৈ যোৱা প্ৰতিনিধিকেইজনে কেন্দ্ৰীয় মন্ত্ৰী অথবা কেন্দ্ৰীয় সচিবসকলৰ পৰা দাবী ধমকি দি কোনো বস্তু আদায় কৰিব নোৱাৰে। ক্ৰীড়াৰ ক্ষেত্ৰত বিশেষকৈ এজনো টেষ্ট খেলুৱৈ সৃষ্টি কৰিব নোৱৰাটো ডাঙৰ ব্যৰ্থতা। অসমীয়া মানুহৰ শক্তি বা মেধা নাই বুলি ক'ব নোৱাৰি। কিন্তু বিজু পাটনায়কে যি পদ্ধতিৰে অথবা ডাঃ বিধান ৰায়ে যেনে দৃঢ়তাৰে নিজ নিজ ৰাজ্য গঢ়ি তুলিলে, তেনে কৰা দূৰদৰ্শী আৰু বাস্তৱ বুদ্ধিসম্পন্ন (প্ৰেক্টিকেল) নেতা নথকাৰ বাবেই আমি শক্তি প্ৰদৰ্শন কৰিব পৰা নাই। অসমীয়া সদায় পিছপৰি থাকিব নোৱাৰে। অসম আগবাঢ়ি যাবই লাগিব। তাৰ বাবে প্ৰথমেই প্ৰয়োজন জাতীয় সঙ্কল্প, দৃঢ়তা আৰু পৰিকল্পনা। পৰেশ বৰুৱা জাতীয় ক্ষতিকাৰক শক্তিসমূহক বুজাই দিব লাগিব যে তেওঁলোকৰ ভ্ৰান্ত পদ্ধতিৰ বাবেই অসমৰ বিশ-ত্ৰিশ হেজাৰ কোটি টকাৰ লোকচান হ'ল আৰু অসম ত্ৰিশবছৰ পিছুৱাই গ'ল। ৰাজ্যখনত এনে এটা পৰিবেশ সৃষ্টি কৰিব লাগিব য'ত কোনো অভিযন্তায়েই নিৰ্ম্মাণৰ বাবে অহা পইচাৰ যাঠীভাগ খাব নোৱাৰিব অথবা কোনো চৰকাৰী বিভাগতেই পইচা মৰাৰ ধাণ্ডা নাথাকিব। সামাজিক জীৱনৰ সকলো ক্ষেত্ৰতেই আমাৰ মানুহখিনি সৎ, সাহসী আৰু কৰ্মক্ষম হ'ব লাগিব। স্কুল-কলেজৰ সভাবোৰত আমাৰ ল'ৰা-ছোৱালীক ডাক্তৰ, ইঞ্জিনীয়াৰ আৰু আই এ এছ বিষয়া হ'বৰ বাবে আহ্বান জনোৱা হয়। কিন্তু ক'তো কোৱা নহয় যে আমাক কিছুমান দৰ্কাৰী আৰু সুদক্ষ মানুহৰ প্ৰয়োজন। পইচা খোৱাৰ ধাণ্ডাত থকা ইঞ্জিনীয়াৰ এসোপা লৈ অথবা ৰাইজৰ দুখ নুবুজা অথবা শেহতীয়া চিকিৎসা বিজ্ঞানৰ খা-খবৰ নৰখা ডাক্তৰ বা ইঞ্জিনীয়াৰ আমাক নেলাগে। দিল্লী আৰু দিছপুৰত থকা আমাৰ জনপ্ৰতিনিধিসকল কথাত পটু, কামত সুদক্ষ আৰু আদৰ্শত ভীষ্মসদৃশ হ'ব লাগিব। সমগ্ৰ অসমীয়া জাতি হ'ব লাগিব মোমাই তামুলী বৰবৰুৱাই বিচৰা মতে কৰ্মদক্ষ, সৎ আৰু সাহসী। এখন নতুন আৰু সম্পদশালী অসম আমাক লাগে। আমি পিছপৰা ৰাজ্যৰ মাজত ককবকাই থাকিব নোখোজো।❑❑